Total No. of Printed Pages—4 48

**6 SEM TDC ASM M 4**

**2019**

( May )

ASSAMESE

( Major )

Course : 604

**( বিশ্ব সাহিত্যৰ পৰিচয় )**

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ (যি কোনো আঠটা) : ১×৮=৮

(ক) বিশ্বসাহিত্যৰ ধাৰণাটো পোনপ্ৰথমে কোনে উপস্থাপন কৰিছিল ?

(খ) শকুন্তলাক পতিগৃহত থ'বলৈ যোৱা এজন তাপস কুমাৰৰ নাম লিখাঁ।

(গ) ইংৰাজীৰ 'আফকে'জ টেন' গ্ৰন্থখনৰ ডাচ্ছ্ ভাষাৰ মূল গ্ৰন্থখনৰ নাম লিখাঁ।

(ঘ) 'অশ্ৰুতীৰ্থ' নাটকত ৰজা প্ৰতাপ সিংহই কাক 'তামুলী ফুকন' পাতিছিল ?

( Turn Over )

(ঙ) অ'হেন্‌ৰীৰ প্ৰকৃত নাম কি?

(চ) কবি কাউন্টি কিউলেন আমেৰিকাৰ কোনটো বৌদ্ধিক আন্দোলনৰ সৈতে জড়িত?

(ছ) গাৰ্ছিয়া লৰকা কোন দেশৰ কবি?

(জ) এন্টন চেখভে কোন ভাষাত গল্প ৰচনা কৰিছিল?

(ঝ) 'মাৰুচীৰ স্বপ্ন' গল্পটোৰ অনুবাদকগৰাকীৰ নাম লিখাঁ।

(ঞ) 'সাহিত্য আৰু সাহিত্য' গ্ৰন্থখনৰ লেখক কোন?

২। (ক) বিশ্বসাহিত্য সম্পৰ্কে প্ৰচলিত ধাৰণাসমূহ দাঙি ধৰি সেইবোৰৰ মাজৰ পৰা তোমাৰ গ্ৰহণযোগ্য ধাৰণাটো যুক্তি সহকাৰে আলোচনা কৰাঁ। ১২

*অথবা*

(খ) বিশ্বসাহিত্যৰ ধাৰণাত তুলনামূলক সাহিত্যৰ অধ্যয়নে কেনেভাৱে অৰিহণা যোগাব পাৰে, আলোচনা কৰাঁ।

৩। 'অভিজ্ঞানশকুন্তলম্' নাটকৰ চতুৰ্থ অংকত প্ৰকাশিত কণ্বমুনি *অথবা* শকুন্তলা চৰিত্ৰৰ বিশ্লেষণ দাঙি ধৰাঁ। ১২

৪। চমুকৈ লিখাঁ (যি কোনো চাৰিটা) : ৩×৪=১২

(ক) শকুন্তলাৰ জীৱনত দুৰ্বাসাৰ অভিশাপৰ তাৎপৰ্য কেনে আছিল, লিখাঁ।





(খ) এগৰাকী দায়িত্বশীল স্বামীৰ ৰূপত মঁচিয় লোৱাজেল

(গ) ডাক্তৰ টোপাকোৱৰৰ কৃত্ৰিম বস্তুবাদী দৃষ্টিভঙ্গী

(ঘ) ডেলাই নিজৰ বাদামী চুলিকোছা বিক্ৰী কৰা কাৰ্যৰ জৰিয়তে প্ৰকাশ পোৱা চৰিত্ৰটোৰ দিশ

(ঙ) 'ক'লা মানুহৰ ল'ৰা' কবিতাটিত প্ৰকাশ পোৱা তিনিটা চিত্ৰকল্প

(চ) 'অশ্ৰুতীৰ্থ' নাটকত ধুমুহাৰ দৃশ্যৰ তাৎপৰ্য

৫। (ক) 'উপহাৰ' গল্পত জীৱন-স্বপ্ন আৰু স্বপ্নভঙ্গৰ কাৰুণ্য কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ। ১২

*অথবা*

(খ) 'মাৰুচীৰ স্বপ্ন' গল্পটোৰ মাজেৰে প্ৰতিফলিত ৰাছিয়াৰ সমাজজীৱন সম্পৰ্কে এটি আলোচনা দাঙি ধৰাঁ।

৬। (ক) তলত উল্লেখ কৰা যি কোনো দুটা কবিতাৰ পৰিচয়জ্ঞাপক টোকা লিখাঁ : ৫+৫=১০

(১) ঘটনা

(২) প্ৰথম বাসনাৰ গীত

(৩) সময়ৰ সন্তানবোৰ

*অথবা*

(খ) আফ্‌কে চৰিত্ৰটোৰ বিভিন্ন দিশ সামৰি এটা বিশ্লেষণ আগবঢ়োৱাঁ। ১০

৭। (ক) 'শ্বেইক্সপীয়েৰিঅ' ট্ৰেজেডি'ৰ লক্ষণসমূহ উল্লেখ কৰি এই লক্ষণসমূহ 'অশ্ৰুতীৰ্থ' নাটকত কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰাঁ। ৫+৯=১৪

*অথবা*

(খ) 'অশ্ৰুতীৰ্থ' নাটকৰ কাহিনীভাগ উল্লেখ কৰি নাট্যকাৰৰ মৌলিকত্ব সম্পৰ্কে বিচাৰ কৰাঁ। ৫+৯=১৪

★★★